# বংগ বিভাজন ( ১৯০৫-১৯১১ ) আৰু স্বদেশী আন্দোলন

**প্ৰথম খণ্ড ইতিহাস**

**অতি চমু উত্তৰৰ প্ৰশ্ন :**

**১। বংগবিভাজন কোনগৰাকী ভাইচৰয়ৰ শাসনকালত সংঘটিত হৈছিল ?**

উত্তৰঃ বংগবিভাজন লৰ্ড কাৰ্জন ভাইচৰয়ৰ শাসনকালত সংঘটিত হৈছিল।

**২। ১৯০৫ খ্ৰীষ্টাব্দৰ কোন তাৰিখে বংগ বিভাজন কাৰ্যকৰী হৈছিল ?**

উত্তৰঃ ১৯০৫ খ্ৰীষ্টাব্দৰ ১৬ অক্টোবৰ তাৰিখে বংগ বিভাজন কাৰ্যকৰী হৈছিল ।

**৩। বিদেশী পণ্য বৰ্জনৰ প্ৰস্তাৱ কোনখন সভাত গ্ৰহণ কৰা হৈছিল ?**

উত্তৰঃ ১১০৫ চনৰ ২০ জুলাইত দিনাজপুৰৰ মহাৰাজৰ পৌৰাোহিত্যত অনুষ্ঠিত এক বিশাল জনসভাত বিদেশী পণ্য বৰ্জনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল ।

**৪। স্বদেশী আন্দোলনৰ সময়ছাোৱাত 'যুগান্তৰ' নামৰ সংবাদপত্ৰখনৰ সম্পাদনা কোনে কৰিছিল ?**

উত্তৰঃ স্বদেশী আন্দোলনৰ সময়ছাোৱাত 'যুগান্তৰ' নামৰ সংবাদপত্ৰখনৰ সম্পাদনা ভূপেন্দ্ৰনাথ দত্তই কৰিছিল।

**৫। বংগদেশত 'জাতীয় শিক্ষা পৰিষদ ' নামৰ অনুষ্ঠানটো কেতিয়া গঠন হৈছিল ?**

উত্তৰঃ বংগদেশত 'জাতীয় শিক্ষা পৰিষদ ' নামৰ অনুষ্ঠানটো ১৯০৬ খ্ৰীষ্টাব্দৰ ১১ মাৰ্চত গঠন কৰা হৈছিলল ।

**৭। 'বেংগল কেমিকেলছ' নামৰ উদ্যোগ প্ৰতিষ্ঠানটোৰ প্ৰধান উদ্যোক্তা কোন আছিল ?**

উত্তৰঃ বেংগল কেমিকেলছ' নামৰ উদ্যোগ প্ৰতিষ্ঠানটোৰ প্ৰধান উদ্যোক্তা হ'ল-

আচাৰ্য প্ৰফুল্লৰায় ।

**৮। কাৰ পৌৰাোহিত্যত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ অধিবেশনে ভাৰতীয়ৰ বাবে স্বৰাজ'বিচাৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল ?**

উত্তৰঃ দাদাভাই নৌৰজীৰ পৌৰাোহিত্যত ১৯০৬ চনত কলিকতাত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ বাৰ্ষিক অধিৰেশনত স্বৰাজ'বিচাৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

**৯। বংগদেশৰ একত্ৰিকৰণ কেতিয়া হৈছিল ?**

উত্তৰঃ বংগদেশৰ একত্ৰিকৰণ ১৯১১ খ্ৰীষ্টাব্দৰ ২ ডিচেম্বৰত হৈছিল ।

**চমু উত্তৰৰ প্ৰশ্ন :**

**১ । বংগ বিভাজনে সৃষ্টিকৰা 'পূৰ্ববংগ আৰু অসম' নামৰ প্ৰদেশখনৰ সৈতে সংলগ্ন হাোৱা বংগদেশৰ প্ৰধান তিনিটা ভৌগাোলিক সংমণ্ডল উল্লেখ কৰা ।**

উত্তৰঃ বংগদেশত দ্ৰুতভাৱে উন্মেষ হাোৱা জাতীয়তাবাদ ধ্বংস কৰিবলৈ আৰু ইয়াত বিৰাজ কৰাহিন্দু – মুছলমানৰ মাজৰ একতা বিনষ্ট কৰিবলৈ ভাইচৰয় লৰ্ড কাৰ্জনৰ প্ৰতিনিধিত্বত ব্ৰিটিছ চৰকাৰে বংগদেশক দুখন প্ৰদেশত বিভক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে । অসমৰ লগত বংগদেশৰ নিমাোক্ত তিনিটা সংমণ্ডল সংলগ্ন কৰি 'পূৰ্ববংগ আৰু অসম' নামৰ নতুন প্ৰদেশখন গঠন কৰা হয়–

( ক ) ঢাকা ।

( খ ) চট্টগ্ৰাম ।

( গ ) ৰাজশাহী ।

**২। বংগ বিভাজনৰ অন্তৰ্নিহিত উদ্দেশ্য কি আছিল চমুকৈ লিখা ।**

উত্তৰঃ ব্ৰিটিছ চৰকাৰে প্ৰশাসনীয় সুবিধা প্ৰাপ্তিয়েই বংগ বিভাজনৰ প্ৰধান উদ্দেশ্য বুলি ঘাোষণা কৰিছিল যদিও ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য ভিন্ন আছিল । ব্ৰিটিছ চৰকাৰৰ দ্বাৰা বংগ বিভাজনৰ প্ৰধান উদ্দেশ্যসমূহ হল-

(ক) বংগ প্ৰদেশত দ্ৰুতভাৱে উন্মেষ হােৰা জাতীয়তাবাদৰ ঢৌ প্ৰতিবােধ কৰা । বংগ প্ৰদেশক জাতীয়তাবাদৰ প্ৰাণকেন্দ্ৰ হিচাপে বিবেচনা কৰা হৈছিল ।

(খ) ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যৰ সুস্থিৰতাৰ ক্ষেত্ৰত ভাবুৰি অৱতাৰণা কৰিব পৰা হিন্দু – মুছলমানৰ মাজৰ একতা বিনষ্ট কৰা ।

(গ) বংগ প্ৰদেশক এনেদৰে ভাগ কৰা যাতে নতুনকৈ বিভক্ত হােৰা প্ৰদেশৰ এখনত হিন্দুসকল সংখ্যালঘুত পৰিণত হয় আৰু আনখন প্ৰদেশত মুছলমানসকল সংখ্যালঘুত পৰিণত হয় । এই পদক্ষেপে দুয়ােটা গােটে সংঘবদ্ধভাৱে চৰকাৰৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হােৰাৰ সম্ভাৱনা নাইকিয়া কৰিব ।

(ঘ) মুছলমান নেতাসকলক সন্তুষ্ট কৰা আৰু জাতীয়তাবাদ বিকাশত অগ্ৰণী ভূমিকা লােৰা হিন্দু বঙালীসকলক দুৰ্বল কৰা ।

( ঙ ) কংগ্ৰেছ দলৰ ব্ৰিটিছ বিৰােধী চৰমপন্থীসকলক নিয়ন্ত্ৰণ কৰা ।

**৩। বংগ বিভাজনবিৰােধী ‘আন্দোলনে স্বদেশী আন্দোলন’ নাম কিয় পাইছিল চমুকৈ লিখা ।**

উত্তৰঃ ১৯০৩ খ্ৰীষ্টাব্দৰ ৬ ডিচেম্বৰত ব্ৰিটিছ কৰ্তৃপক্ষই বংগ বিভাজনৰ প্ৰস্তাৱ উত্থাপন কৰে । অতি সােনকালে সুৰেন্দ্ৰনাথ বেনাৰ্জী , বিপিন চন্দ্ৰ পাল , অৰবিন্দ ঘােষ , ৰবীন্দ্ৰনাথ ঠাকুৰ , ৰাসবিহাৰীবসু আদি নেতাসকলে বংগ প্ৰদেশত তীব্ৰভাৱে বংগ বিভাজনবিৰােধী আন্দোলন গঢ়ি তােলে ।

তেওঁলােকে অনুভৱ কৰিছিল যে প্ৰদেশখনত বিৰাজ কৰা হিন্দু – মুছলমানৰ একতা বিনষ্ট কৰিবলৈহে এই প্ৰয়াস কৰা হৈছিল । তেওঁলােকে তীব্ৰ জনমত গঠনৰ উদ্দেশ্যে আৰু জনসচেতনতা সৃষ্টিৰ উদ্দেশ্যে স্বাক্ষৰ সংগ্ৰহৰ অভিযান আৰম্ভ কৰিছিল । তেওঁলােকে ভাৰত সচিবৰ ওচৰত ৭০,০০০ স্বাক্ষৰ থকা প্ৰতিবাদপত্ৰ অৰ্পণ কৰিছিল যদিও ব্ৰিটিছ চৰকাৰ আঁকোৰগােজ হৈ থাকিল ।

জনসাধাৰণে ব্ৰিটিছ চৰকাৰৰ এই পৰিকল্পনাৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদীকাৰ্যসূচী আৰু বিক্ষোভ গঢ়ি তুলিছিল । ব্ৰিটিছ চৰকাৰৰ এই পদক্ষেপৰ বিৰুদ্ধে বংগদেশত তীব্ৰ জনসংগ্ৰামৰ অৱতাৰণা হয় । জাতি – বৰ্ণ নিৰ্বিশেষে সকলাে লােকে এই আন্দোলনত যােগদান কৰে ।

জাতীয় কংগ্ৰেছ নেতাসকলে এই নতুন গণ আন্দোলনৰ বৃহৎ সম্ভাৱনা উপলব্ধি কৰি ইয়াকজাতীয় আন্দোলনলৈ ৰূপান্তৰিতকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ।১৯০৫ চনৰ ডিচেম্বৰত বাৰাণসীত অনুষ্ঠিত অধিৱেশনত তেওঁলাে কে বিভাজন বিষয়টোৰ উধ্বলৈ গতি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।এই নতুন আন্দোলনক স্বদেশী আন্দোলন বুলি অভিহিতৰা হৈছিল ।

কিয়নাে ই বংগৰ সীমা অতিক্ৰম কৰিছিল আৰু সমগ্ৰ দেশৰ মানুহে বিদেশী বস্তু বৰ্জন , স্বদেশী বস্তু গ্ৰহণ আৰু চৰকাৰ প্ৰদত্ত খিতাপ আৰু পদবী প্ৰত্যাহাৰৰ ধাৰণা আকোৱালি লৈছিল । এনেদৰে , ব্ৰিটিছৰ বিৰুদ্ধে হাে ৱা এই আন্দোলনৰ পৰ্যায়টোক স্বদেশী আন্দোলন'বুলি অভিহিত হৈছিল ।

**৪। স্বদেশী আন্দোলনে জাতীয় শিক্ষালৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে আলাে চনা কৰা ।**

উত্তৰঃ  স্বদেশী আন্দোলনৰ এটা বৃহৎঅৱদান এয়ে আছিল যে ই জাতীয় শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত যথেষ্টঅৰিহণা আগবঢ়াইছিল । এই আন্দোলনে ছাত্ৰ সমাজৰ মনাে যাে গ আকৰ্ষণ কৰিছিল আৰু বহুতাে ছাত্ৰই স্বদেশী আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল ।

ইয়াৰ পৰিণতিত বংগ প্ৰদেশ চৰকাৰৰ মুখ্য সচিব আৰু ডব্লিউ কাৰ্লাইলে ১৯০৫ চনৰ ১০ অক্টোবৰত এক জাননীৰ জৰিয়তে চৰকাৰ বিৰাে ধী আন্দোলনত অংশ গ্ৰহণ নকৰিবলৈ ছাত্ৰসকলক সকীয়াই দিছিল।এই জাননীৰ বিৰুদ্ধে ছাত্ৰসকলে তীব্ৰভাৱে প্ৰতিবাদ সাব্যস্ত কৰিলে আৰু শ্ৰেণীকোঠা ত্যাগৰ কাৰ্যসূচী গ্ৰহণ কৰিলে ।

১৯০৫ চনৰ ৪ নৱেম্বৰত চৰকাৰৰ অন্যাৰ্য জাননীৰ বিৰুদ্ধে ৰবীন্দ্ৰনাথ ঠাকুৰে কলিকতাৰ পটলডাঙা মল্লিবাৰীত ছাত্ৰসকলৰ এক বিশাল সমাৱেশ সংগঠিত কৰিলে আৰু ইয়াতেই চৰকাৰৰ নিৰ্দেশনা অমান্য কৰিবলৈ ‘এন্টি – চাৰ্কুলাৰ ছ'চাইটি ’ গঠন কৰিলে । বিপিন চন্দ্ৰ পাল , ৰবীন্দ্ৰনাথ ঠাকুৰ , আব্দুল ৰছুল প্ৰমুখ্যে বিশিষ্ট নেতাসকলে ছাত্ৰসকলক চৰকাৰী বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ পৰা আঁতৰি আহিবলৈ আহ্বান জনালে ।

সতীশ চন্দ্ৰ মুখাৰ্জীয়ে ডন ছ'চাইটি'নামৰ এটা জাতীয় অনুষ্ঠান গঢ় দিলে । এই ছ'চাইটিয়ে কাৰ্জনৰ বিশ্ববিদ্যালয় আইন ( ১৯০৪ ) আৰু   কাৰ্লাইয়ৰ জাননী ( ১৯০৫ ) সন্দৰ্ভত অসন্তুষ্টি ব্যক্ত কৰিছিল । এই বিশিষ্ট নেতাসকলে জাতীয় উদ্দেশ্যৰ আধাৰত জাতীয় শিক্ষাৰ ধাৰণা উত্তৰণ কৰিছিল ।

১৯০৫ খ্ৰীষ্টাব্দত ৰবীন্দ্ৰনাথ ঠাকুৰে কলিকতা আৰু ৰংপুৰত ‘বংগ জাতীয় বিদ্যালয়’নামেৰে দুখন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰে। ৰবীন্দ্ৰনাথ ঠাকুৰক অনুসৰণ কৰি সমগ্ৰ বংগ প্ৰদেশত বহুতাে বিশিষ্ট ব্যক্তিয়ে বিভিন্ন বিদ্যালয় স্থাপন কৰে।ৰাসবিহাৰী বসুৰ নেতৃত্বত ১৯০৬ খ্ৰীষ্টাব্দতকলিকতাৰ টাউন হলত জাতীয় শিক্ষা পৰিষদ’গঠন হয়। ১৯০৬ খ্ৰীষ্টাব্দৰ ১৫ আগষ্টত বংগ জাতীয় মহাবিদ্যালয় স্থাপিত হয়।

এনেদৰে স্বদেশী আন্দোলনৰ সময়ছেৱাত সৰ্বমুঠ ৬২ খন মাধ্যমিক আৰু ৩,০০০ খন প্ৰাথমিক বিদ্যালয় স্থাপন হয়। এই সময়ছাােৱাতে বেংগল টেকনিকেল ইনষ্টিটিউট স্থাপন হয় যি পৰবৰ্তী পৰ্যায়ত যাদৱপুৰ বিশ্ববিদ্যালয়লৈ উন্নীত হয়। একেদৰে স্বদেশী আন্দোলনৰ অংশ হিচাপে দেশৰ বিভিন্ন অংশেত জাতীয় বিদ্যালয় স্থাপন হয়।

ইয়াৰে কেইখনমান হৈছে বিহাৰ বিদ্যাপীঠ ( পাটনা ) , সমৰ্থ বিদ্যালয় ( মহাৰাষ্ট্ৰ ) আৰু গুজৰাট বিদ্যালয় ( গুজৰাট ) ।

## ৫। স্বদেশী আন্দোলনৰ সময়ছাােৱাত বংগদেশৰ জাতীয় শিল্পৰ বিকাশ কেনেদৰে হৈছিল ?

উত্তৰঃ  স্বদেশী আন্দোলনে আত্মশক্তি বিকাশৰ উদ্যম বৃদ্ধি কৰাৰ ফলত ভাৰতীয় উদ্যোগৰ বিকাশৰ পথ প্ৰশস্ত হৈছিল। বিদেশী বস্তু বৰ্জনৰ মানসিকতা গঢ়ি উঠাত মানুহে স্থানীয়ভাৱে নিৰ্মিত বস্তুৰ প্ৰতি হাবিয়াহ কৰিলে। ইয়াৰ ফলত দেশৰ বিভিন্ন অংশত কেইবাটাও ডাঙৰ শিল্প প্ৰতিষ্ঠান আৰু বহুতাে ক্ষুদ্ৰ উদ্যোগ গঢ়ি উঠিছিল।

সূতা কটা কল , ক্ষুদ্ৰ আৰু মজলীয়া তাঁতশাল উদ্যোগ , সৰিয়হৰ তেল , চাবাােন , চেনি , জুইশলা , বিস্কুট আদিৰ উদ্যোগ স্থাপন হয়। এই সময়ছাােৱাতে জাতীয় বেংক আৰু জাতীয় বীমা প্ৰতিষ্ঠান স্থাপিত হৈছিল। এই সময়ছাােৱাত প্ৰতিষ্ঠা হাােৱা এটা প্ৰতিষ্ঠান আছিল ‘স্বদেশী ভাণ্ডাৰ’ যি পৰৱৰ্তী পৰ্যায়ত এক উল্লেখযাােগ্য বস্ত্ৰ প্ৰতিষ্ঠানত পৰিণত হৈছিল।

ইয়াক ৰবীন্দ্ৰনাথ ঠাকুৰেপ্ৰতিষ্ঠা কৰিছিল। যোগেশ চন্দ্ৰ চৌধুৰী আৰু কৃষ্ণবিহাৰী সেনৰ যৌথ প্ৰচেষ্টাত কলিকতাৰ বউবজাৰত ‘ ইণ্ডিয়ান ষ্টোৰছ’ স্থাপিত হৈছিল। কলিকতাৰ কৰ্ণৱালিছ ষ্ট্ৰীটত সৰলা দেৱী চৌধুৰীয়ে লক্ষী ভাণ্ডাৰ স্থাপন কৰিছিল। এই সময়ছাােৱাতে ‘ইউনাইটেড বেংগল ষ্টৈৰছ’ স্থাপিত হৈছিল।

১৯০৬ খ্ৰীষ্টাব্দৰ আগষ্ট মাহত নীলৰতন চৰকাৰে ‘বংগলক্ষী কটন মিল’ স্থাপন কৰিছিল। আনহাতে ১৯০৬ খ্ৰীষ্টাব্দৰ জুলাই মাহত আচাৰ্য প্ৰফুল্ল ৰায়ে ‘ বেংগল কেমিকেলছ ’ নামৰ

উদ্যোগটো স্থাপন কৰে । ১৯০৭ খ্ৰীষ্টাব্দত জামছেদপুৰত জামছেদজী টাটাৰ দ্বাৰা টাটা লৌহ শিল্প কাৰখানাৰ স্থাপন এই ক্ষেত্ৰত অন্য এক উল্লেখনীয় পদক্ষেপ ।

১৯০৫ খ্ৰীষ্টাব্দৰ ১৭ ডিচেম্বৰত আৰ চি দাসৰ পৌৰাোহিত্যত পাোন প্ৰথমবাৰৰ বাবে বাৰাণসীত ভাৰতীয় উদ্যোগ সন্মিলন অনুষ্ঠিত হয় । এই সন্মিলনে স্বদেশী উদ্যোগৰ সম্ভাৱনীয়তা সম্পৰ্কে ভাৰতীয় লাোকসকলক সজাগ কৰিছিল । এনেদৰে , স্বদেশী আন্দোলনে দেশৰ ঔদ্যোগিক বিকাশক অনুপ্ৰাণিত কৰিছিল ।

**৬। স্বদেশী আন্দোলন দমন কৰাৰ উদ্দেশ্যে ব্ৰিটিছ চৰকাৰে কি কি আন্দোলনবিৰাোধী কাৰ্যসূচী গ্ৰহণ কৰিছিল ?**

উত্তৰঃ স্বদেশী আন্দোলন দমন কৰাৰ উদ্দেশে ব্ৰিটিছ চৰকাৰে গ্ৰহণ কৰা আন্দোলনবিৰাোধী কাৰ্যসূচীসমূহ আছিল এনেধৰণৰ

( ক ) ব্ৰিটিছ চৰকাৰে জাতীয় কংগ্ৰেছৰ উদাৰপন্থী নেতাসকলক এই আশাতেই বিভিন্ন উপাধি , পদক আৰু পদ যাচিছিল যাতে তেওঁলাোকে চৰকাৰৰ ক্ৰিয়াকলাপত সহযাোগিতা কৰিব। উদাৰপন্থী কংগ্ৰেছ নেতাসকলক উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ পদ , ভাইচৰয় পৰিষদৰ সদস্য পদ , ব্ৰিটিছ সংসদ সদস্যপদ যচা হৈছিল।

সুৰেন্দ্ৰনাথ বেনাৰ্জী , গাোপাল কৃষ্ণ গাোখলে , বিপিন চন্দ্ৰ পাল প্ৰমুখ্যে কংগ্ৰেছ নেতাসকলৰ স্থিতি দৃঢ় আছিল আৰু চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল ।

( খ ) ব্ৰিটিছচৰকাৰে মুছলমান নেতাসকলক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল যাতে তেওঁলাোকে ভাৰতীয় জাতীয় কংগ্ৰেছৰ পৰা ফালৰি কাটি আহে। কংগ্ৰেছৰ প্ৰতি বিৰাোধ প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে মুছলমানসকলৰ এটা ৰাজনৈতিক দল গঠন কৰিবলৈ তেওঁলাোকক উৎসাহিত কৰিছিল । এই ক্ষেত্ৰত তেওঁলাোক যথেষ্টসফল হয় ।

**৭। স্বদেশী আন্দোলনৰ তিনিটা ফলাফল উল্লেখ কৰা ।**

উত্তৰঃ  ১৯০৫ খ্ৰীষ্টাব্দত আৰম্ভ হৈ ১৯১১ খ্ৰীষ্টাব্দলৈ অব্যাহত থকা স্বদেশী আন্দোলনক ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে বিবেচনা কৰা হয় । স্বদেশী আন্দোলনৰ তিনিটা ফলাফল তলত উল্লেখৰা হ’ল-

( ক ) **জাতীয় সাহিত্যৰ বিকাশ :-** এই সময়ছাোৱাত জাতীয়তাবাদ আৰু দেশ ভক্তি  উদ্যম জাগ্ৰত কৰা বহুতাো আলাোচনী , সংবাদপত্ৰ , গ্ৰন্থ , নাটক , গীত আৰু প্ৰবন্ধ প্ৰকাশিত হৈছিল।এই বিলাকে জাতীয় আন্দোলনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল ।

অবনীন্দ্রনাথ ঠাকুৰৰ উদ্যোগত বংগীয় কলা সংসদ ' নামৰ জাতীয় অনুষ্ঠানটো স্থাপিত হৈছিল । এই অনুষ্ঠানটোৱে পাশ্চাত্য প্ৰভাবমুক্ত ভাৰতীয় চিত্ৰকলাৰ আধাৰ নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছিল ।

( খ ) **মহিলাৰ অংশগ্ৰহণ :-** স্বদেশী আন্দোলনত মহিলাসকলক সামাজিক প্ৰতিবন্ধকতা অতিক্ৰম কৰি আন্দোলনত অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰা হৈছিল । এগৰাকী অগ্ৰণী নাৰী সৰলা দেৱী চৌধুৰীনীয়ে বীৰষ্টমী ব্ৰত , প্ৰতাপাদিত্য উৎসৱ, উদয়াদিত্য উৎসৱ, ব্যায়াম সমিতি আদি উৎসৱ – অনুষ্ঠান আয়োজন কৰিছিল ।

তেওঁ যুৱক – যুৱতীসকলক লাঠীখেল আৰু কুস্তিৰ প্ৰশিক্ষণ দিয়াইছিল আৰু 'ভাৰতী ' নামৰ এখন পত্ৰিকা সম্পাদনা কৰিছিল । এনেদৰে জাতীয় আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ যুৱশক্তিক প্ৰস্তুত কৰিছিল । অন্য এক অগ্ৰণী নাৰী ভাগিনী নিবেদিতাই বিভিন্ন সমিতিৰ সৈতে জড়িত হৈ যুৱক – যুৱতীক দেশীয় শিল্পৰ জৰিয়তে আত্মনিৰ্ভশীল হ'বলৈ অনুপ্ৰাণিত কৰিছিল ।

( গ ) **মুছলিম লীগৰ প্ৰতিষ্ঠা :-** ব্ৰিটিছ চৰকাৰে ধৰ্ম , জাতি আদিৰ ভিত্তিত ভাৰতীয়সকলৰ মাজত বিভাজন আনিবলৈ প্ৰয়াস কৰিছিল যাতে তেওঁলোকৰ সাম্ৰাজ্যবাদ অক্ষুন্ন থাকে । লৰ্ড কাৰ্জনৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ভালেসংখ্যক মুছলমান নেতাই চৰকাৰৰ বংগ বিভাজনৰ পৰিকল্পনাক আদৰণি জনাইছিল ।

ব্ৰিটিছচৰকাৰৰ পৰা বিশেষ ৰাজনৈতিক অনুগ্ৰহ লাভ কৰাৰ পিছত মুছলমান সকলক 'সৰ্বভাৰতীয় মুছলিম লীগ ' নামৰ ৰাজনৈতিক অনুষ্ঠানটো গঠন কৰিবলৈ অনুপ্ৰাণিত কৰা হৈছিল । এই মুছলিম লীগ পৰৱৰ্তী পৰ্যায়ত এক বৃহৎ শক্তিত পৰিণত হয় কিয়নো ভাৰতীয় জাতীয় কংগ্ৰেছক দুৰ্বল কৰাত ই উল্লেখযোগ্য ভূমিকা পালন কৰিছিল ।

**৮। স্বদেশী আন্দোলনৰ তিনিটা অৱদান উল্লেখ কৰা ।**

উত্তৰঃ স্বদেশী আন্দোলনৰ প্ৰধান অৱদান কেইটা হৈছে–

**(ক) গণ আন্দোলন সম্পৰ্কে ৰাজনৈতিক শিক্ষা :-** স্বদেশী আন্দোলনৰ এটা গুৰুত্বপূৰ্ণ অৱদান এয়ে যে ইয়াৰ জৰিয়তে গণ আন্দোলনৰ শক্তি সম্পৰ্কে ভাৰতীয়সকল অৱগত হয় । তেওঁলোকে উপলব্ধি কৰিছিল যে যদিহে সংখ্যাগৰিষ্ঠ । জনসাধাৰণে এক উমৈহতীয়া উদ্দেশ্যে পূৰণৰ উদ্দেশ্য সংঘৱদ্ধভাৱে আন্দোলনত অংশগ্ৰহণ কৰে , তেন্তে এই গণ – আন্দোলন নিশ্চিতভাৱে সফল হ'ব ।

**(খ) গণ আন্দোলনৰ প্ৰতি নাৰীসকল আকৰ্ষিত হয় :-** স্বদেশী আন্দোলনে ভাৰতীয় নাৰীসকলক গণ – আন্দোলনৰ দিশত সবলীকৰণ কৰে । প্ৰফুল্ল চাকীক ফাঁচী দিয়া দিনটোত বংগদেশৰ প্ৰতিটো পৰিয়ালে উপবাস কৰিছিল ।

তদুপৰি ‘যুগান্তৰ ‘ পত্ৰিকা সম্পাদক ভূপেন্দ্ৰনাথ দত্তক পুলিচে কঠোৰ শাস্তি বিহাৰ পৰিপ্ৰেক্ষিতত তেওঁৰ মাতৃ ভুবনেশ্বৰী দেৱীয়ে সকলো নাৰীক আন্দোলনত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল ।

**( গ ) স্বৰাজ দাবী উত্থাপনৰ বাবে জাগ্ৰত কৰে :-** স্বদেশীআন্দোলনে ‘স্বৰাজ’ৰ প্ৰতি আসক্তি জাগ্ৰত কৰে । এই আন্দোলনৰ সময়ছোৱাত ভাৰতীয়সকলে পোন প্ৰথমবাৰৰ বাবে ব্ৰিটিছ চৰকাৰৰ পৰা স্বৰাজ বা স্বায়ত্ত শাসন দাবী কৰিছিল । দাদাভাই নৌৰজীৰ পৌৰোহিত্যত কলিকতাত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ অধিৱেশনত এই দাবী উত্থাপন কৰা হৈছিল ।

## চমুটোকা লিখা

### (ক) কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ

উত্তৰঃ **(ক) কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ :-** ৰবীন্দ্ৰনাথ ঠাকুৰক আমাৰ দেশৰ বাবে বংগদেশে যচা এক অন্যতম সজ্জন হিচাপে বিবেচনা কৰা হয় । তেওঁ এগৰাকী বিখ্যাত গীতিকাৰ , নাট্যকাৰ , কবি , গল্প লেখক , চিত্ৰকৰ , শিক্ষাবিদ , দাৰ্শনিকআৰু বিপ্লবী ব্যক্তি আছিল ।

১৯০৫ চনৰ ১৬ অক্টোবৰত বংগ বিভাজন কাৰ্যধী হোৱা দিনটোত হিন্দু মুছলমানৰ ঐক্য প্ৰদৰ্শন কৰিবলৈ আৰু ইয়াক সবলতৰ কৰিবলৈ ৰবীন্দ্ৰনাথ ঠাকুৰৰ আহ্বানক্ৰমে কলিকতাৰ জনতাই ৰাখিবন্ধন উদযাপন কৰিছিল। এই সময়ছোৱাতে তেওঁ ৰচনা কৰা আৰু পৰিৱেশন কৰা ২৩ টি দেশভক্তিমূলক গীত দেশপ্ৰেমগত অনুভূতিৰ ভাণ্ডাৰ হিচাপে পৰিগণিত হৈছে ।

তেওঁৰ বিখ্যাত গীত , ‘আমাৰ সোনাৰ বাংলা আমি তোমাকে ভালবাসি’পৰৱৰ্তী সময়ত বাংলাদেশৰ ৰাষ্ট্ৰীয় সংগীত হৈ পৰিছিল । তেওঁৰ ‘ভাই ভাই এক ঠাই’ শীৰ্ষক প্ৰবন্ধটি হৃদয়স্পৰ্শী আছিল আৰু ই স্বদেশী আন্দোলনত অংশগ্ৰহণৰ উদ্যম বৃদ্ধি কৰিছিল । তেওঁ স্থাপন কৰা ‘স্বদেশী ভাণ্ডাৰ’ কালক্ৰমত কলিকতাৰ এখন উল্লেখযোগ্য বস্ত্ৰ প্ৰতিষ্ঠানত পৰিণত হয় ।

### (খ) মাৰ্গাৰেট এলিজাবেথ নবোল ( ভগিনী নিবেদিত )

**(খ) মাৰ্গাৰেট এলিজাবেথ নবোল ( ভগিনী নিবেদিতা ) :-** ভগিনী নিবেদিতা হিচাপে জ্ঞাত মাৰ্গাৰেট এলিজাবেথ নবোলক স্বদেশী আন্দোলনৰ সময়ছোৱাৰ এগৰাকী মহিয়সী জাতীয় নেত্ৰী হিচাপে গণ্য কৰা হয় । আয়াৰলেণ্ডত জন্ম গ্ৰহণ কৰা এইগৰাকী নাৰীয়ে ভাৰতবৰ্ষক গৃহভূমি হিচাপে আৰু হিন্দু ধৰ্ম নিজ ধৰ্ম হিচাপে গ্ৰহণ কৰিছিল ।

তেওঁ অন্ত:কৰণেৰে গৃহভূমিক ভাল পাইছিল আৰু বংগদেশত জাতীয় চেতনাৰ উন্মেষণত যথেষ্ট অৱদান আগবঢ়াইছিল।কলিকতাত থকা অৱস্থাত তেওঁ ইয়ংমেন্‌ছ হিন্দু ইউনিয়ন , বিবেকানন্দ ছ'চাইটি ,ডন ছ'চাইটি আৰু অনুশীলন সমিতিৰ সৈতে জড়িত হৈছিল ।

তেওঁ নাৰী আৰু যুৱক-যুৱতীসকলক দেশীয় শিল্পৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বলৈ অনুপ্ৰাণিত কৰিছিল । তেওঁৰ সৰ্বোত্তম অৰিহণাটো এয়ে যে তেওঁ 'বংগ মাতা'ক 'ভাৰত মাতা'ৰ ৰূপ প্ৰদান কৰিছিল । এনে প্ৰেক্ষাপটত ভগিনী নিবেদিতা আমাৰ দেশৰ জাতীয় আন্দোলনৰ এগৰাকী চিৰস্মৰণীয় ব্যক্তি হিচাপে জ্ঞাত  হৈ ৰ'ব ।

### (গ) নবাব ছলিমউল্লা

**(গ) নবাব ছলিমউল্লা :-** নবাব ছলিমউল্লা খানক দেশৰ মুছলমানসকলৰ স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যে ১৯০৬ চনত প্ৰতিষ্ঠা হাোৱা মুছলিম লীগৰ প্ৰতিষ্ঠাপক হিচাপে গণ্য কৰা হয় । তেওঁ ঢাকাৰ ওচৰৰ এক ক্ষুদ্ৰ ৰাজ্য ক্ষেত্ৰৰ নবাব আছিল । পশ্চিমবংগৰ সংখ্যাগৰিষ্ঠ হিন্দুসকলৰ বিৰুদ্ধে পূৰ্ব বংগৰ মুছলমানসকলক সংগঠিত কৰাৰ ক্ষেত্ৰত লৰ্ড কাৰ্জনে তেওঁক সহায় কৰিছিল ।

যেতিয়া মুছলমান নেতাসকলে উপলব্ধি কৰিলে যে ব্ৰিটিছ কৰ্তৃপক্ষই মুছলমানসকলৰ এক স্বকীয় দল গঠন কৰাৰ ক্ষেত্ৰত তেওঁলাোকক সহায় কৰিব বিচাৰে , তেতিয়া ছলিমউল্লাখান আৰু আগা খানৰ নেতৃত্বত মুছলমান নেতাসকলৰ এটা গাোটে এই সুযাোগ গ্ৰহণ কৰে ।

১৯০৬ চনৰ ৩০ ডিচেম্বৰত চলিমউল্লা খানে আহ্বান কৰা মুছলমান নেতাসকলৰ এখন সভাত সৰ্বভাৰতীয় মুছলিম লীগ ' নামৰ ৰাজনৈতিক অনুষ্ঠানটোৰ জন্ম হয় । নবাব ছলিমউল্লাই এই নতুন ৰাজনৈতিক দলটোৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ উক্ত সভাতেই ঘাোষণা কৰিছিল ।

ভাৰতীয় সকলে স্বদেশী আন্দোলনৰ মাধ্যমেৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি থকা বাতাবৰণত মুছলমানসকলৰ হৈ নবাব চলিমউল্লাই ব্ৰিটিছসকলৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাত ভাৰতীয় জাতীয় কংগ্ৰেছ দুৰ্বল হৈ পৰে । তেওঁৰ মৃত্যুৰ পিছত মুছলিম লীগৰ ৰক্ষণশীল চৰিত্ৰৰ বৃহৎ মাত্ৰাত পৰিৱৰ্তন সাধন হয় ।